**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-03-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL BULLETIN***
**::::::::::::::::::::::::::::::::::::**

২০১৪ চনৰ পাছত অসমত প্ৰৱেশ কৰা কোনো ব্যক্তিয়েই নাগৰিকত্ব লাভ নকৰে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি স্পষ্ট কৰি দিছে। শিৱসাগৰত আজি পুৱা সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, যিসকল লোকৰ নাম ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত অন্তৰ্ভুক্ত কৰা হোৱা নাই, অকল তেওঁলোকেহে নাগৰিকত্ব সংশোধনী আইনৰ ব্যৱস্থা অনুসৰি সুফল লাভ কৰিব। ড০ শৰ্মাই কয় যে, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ বাবে আবেদন নকৰা কোনো ব্যক্তিয়ে যদি নাগৰিকত্ব সংশোধনী আইনৰ যোগেদি উপকাৰ লাভ কৰে, তেন্তে তেওঁ মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰিব। তেওঁ কয় যে, কিমানগৰাকী বিদেশীয়ে নাগৰিকত্বৰ বাবে আবেদন কৰিব সেই বিষয়ে জনসাধাৰণে জানিব পাৰিব আৰু ৪৫ দিনৰ পাছতহে স্থিতি স্পষ্ট হৈ পৰিব। ইপিনে, নাগৰিকত্ব সংশোধনী আইন বলৱৎ কৰাৰ প্ৰতিবাদত কেইবাটাও সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰিছে। আইনখন বলৱৎ হোৱাৰ প্ৰতিবাদত কংগ্ৰেছ নেতৃত্বাধীন ১৬ টা দলৰ বিৰোধী ঐক্যমঞ্চই আজি ৰাজ্যজোৰা হৰতাল ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই নাগৰিকত্ব সংশোধনী আইন বলৱৎ কৰাৰ বিৰুদ্ধে হৰতাল আৰু প্ৰতিবাদ সাব্যস্ত কৰা ৰাজনৈতিক দলসমূহৰ পঞ্জীয়ন বাতিল কৰা হ'ব পাৰে বুলি সকিয়াই দিছে। তেওঁ কয় যে, এনে ধৰণৰ প্ৰতিবাদক যোৱা বছৰ ১৯ মাৰ্চত গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া ৰায়ৰ উলংঘন বুলি গণ্য কৰা হ'ব। ৰাজ্যখনত অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ উদ্দেশ্যে অসম আৰক্ষীয়ে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ইফালে, সদৌ অসম ছাত্ৰ সন্থাই নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে আজি উচ্চতম ন্যায়ালয়ত এখন আবেদন দাখিল কৰিছে।

উল্লেখযোগ্য যে, চৰকাৰে ২০১৯ চনৰ নাগৰিকত্ব সংশোধনী আইনৰ অধীনত ভাৰতীয় নাগৰিকত্ব লাভ কৰাৰ বাবে যোগ্য বুলি বিবেচিত ব্যক্তিসকলৰ বাবে এটা নতুন প'ৰ্টেল মুকলি কৰিছে। আবেদন কৰিব বিচৰা ব্যক্তিসকলে indiancitizenshiponline.nic.in-ত লগ ইন কৰিব পাৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে মোবাইল এপৰ জৰিয়তে আবেদনৰ ব্যৱস্থা কৰাৰ বাবে চি এ এ টু থাউজেণ্ড নাইণ্টিন নামৰ এটা এপ মুকলি কৰিব। কালি ২০১৯ চনৰ নাগৰিকত্ব সংশোধনী আইনৰ অধীনত নাগৰিকত্ব সংশোধন নিয়মাৱলীৰ অধিসূচনা জাৰি কৰা হৈছে। নাগৰিকত্ব সংশোধনী আইন অনুসৰি, আফগানিস্তান, বাংলাদেশ আৰু পাকিস্তানৰ সংখ্যালঘূ হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চী আৰু খ্ৰীষ্টান সম্প্ৰদায়ৰ লোকসকল ভাৰতীয় নাগৰিকত্বৰ বাবে যোগ্য বুলি বিবেচিত হ'ব। নাগৰিকত্ব সংশোধনী আইনে ২০১৯ চনৰ ১২ ডিচেম্বৰত ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ কৰিছিল।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ **ইণ্ডিয়াজ টেকেড ঃ চিপছ ফৰ বিকশিত ভাৰত** কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰায় এক লাখ ২৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ তিনিটা ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ ভাৰ্চুৱেল ব্যৱস্থাৰে আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশৰ যুৱ প্ৰজন্মক সম্বোধন কৰিব। গুজৰাটত ধ'লেৰা বিশেষ বিনিয়োগ অঞ্চলত ছেমিকণ্ডাক্টৰ ফেব্ৰিকেচন সুবিধাৰ বাবে আধাৰশিলা স্থাপন কৰাৰ বিপৰীতে গুজৰাট আৰু অসমৰ জাগীৰোডত আউটচ'ৰ্চড ছেমিকণ্ডাক্টৰ এছেম্বলি এণ্ড টেষ্ট সুবিধাৰ বাবে আধাৰশিলা স্থাপন কৰা হ'ব। ছেমিকণ্ডাক্টৰসমূহৰ ডিজাইন, উৎপাদন আৰু প্ৰযুক্তিগত বিকাশৰ ক্ষেত্ৰত দেশক গোলকীয় কেন্দ্ৰৰূপে গঢ়ি তোলা আৰু ইয়াৰ জৰিয়তে দেশৰ যুৱপ্ৰজন্মৰ বাবে নিয়োগৰ সুযোগ বৃদ্ধি কৰাৰ প্ৰধানমন্ত্ৰীৰ লক্ষ্যৰ দিশে আগুৱাই যোৱাৰ ক্ষেত্ৰত এই তিনিওটা প্ৰকল্প অতিকৈ উল্লেখযোগ্য ৰূপে বিবেচিত হৈছে।

কাইলৈৰ অনুষ্ঠানত ছেমিকণ্ডাক্টৰ উদ্যোগৰ নেতৃত্ববৰ্গৰ লগতে দেশৰ মহাবিদ্যালয় পৰ্যায়ৰ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়নৰ লক্ষ্যৰে চলি থকা বিকাশ যাত্ৰা কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰ জিলাত ৪৫৪ কোটি টকা ব্যয়সাপেক্ষ ৩২টা প্ৰকল্পৰ উদ্বোধন, ভূমিপূজন আৰু শিলান্যাস কৰে।মুখ্যমন্ত্ৰীয়ে জিলাখনৰ ডিমৌ ৰাইছাই গ্ৰাম্য ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক আঁচনি আৰু পদক্ষেপৰ খতিয়ান দাঙি ধৰে। তেওঁ কয় যে, ডিমৌত আধাৰশিলা স্থাপন কৰা শিৱসাগৰ চিকিৎসা মহাবিদ্যালয়ৰ কাম ৰাজ্য চৰকাৰে ৩ বছৰত সম্পূৰ্ণ কৰিব। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাজ্যৰ কন্যাসকলৰ উচ্চ শিক্ষাৰ বাবে অসম চৰকাৰে এখন নতুন আঁচনি গ্ৰহণ কৰিব বুলি ঘোষণা কৰিছে। এই আঁচনিৰ অধীনত দশম শ্ৰেণী উত্তীৰ্ণ ছাত্ৰীক একাদশ শ্ৰেণীত নামভৰ্তিৰ বাবে চৰকাৰে ১০ হাজাৰকৈ টকা প্ৰদান কৰিব। একেদৰে, দ্বাদশ শ্ৰেণী উত্তীৰ্ণ ছাত্ৰীক স্নাতক পৰ্যায়ত নামভৰ্তিৰ বাবে ১২ হাজাৰ ৫০০ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিব দিয়ে। ড০ শৰ্মাই জিলাখনৰ বিভিন্ন চাহ বাগিচা চিকিৎসালয়ৰ বাবে ২৬ খন নতুন এম্বুলেন্স আজি আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

মুখ্যমন্ত্ৰীয়ে আজি জিলাখনৰ জয়সাগৰৰ ডিমৌ পথাৰত নিৰ্মাণ কৰা অসম আৰক্ষীৰ ২৫ নম্বৰ বেটেলিয়নৰ চাউনী উদ্বোধন কৰে। তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ সুৰক্ষাত নিয়োজিত বেটেলিয়নৰ চাউনীটোত ১৫ কোটি টকা ব্যয়সাপেক্ষে ১৩০ বিঘা ভূমিত নিৰ্মাণ কৰা হৈছে। চাউনী উদ্বোধনৰ পাছত মুখ্যমন্ত্ৰীয়ে নাজিৰাত গাহৰি মাংস প্ৰসংস্কৰণ গোট মুকলি কৰে।তেওঁ জিলাখনত বি.এড কলেজ, আমগুৰি ক্ৰীড়া প্ৰকল্প, ধোদৰআলিৰ পৰা ৰহদৈ আলিলৈ নিৰ্মাণ আৰু উন্নয়ন সাধন কৰা পথ প্ৰকল্প তথা ৪টা আদৰ্শ অংগনবাড়ী কেন্দ্ৰ উদ্বোধন কৰে। তেওঁ ৭২ খন ৰাজহুৱা পানী যোগান আঁচনিও উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ আন ১৫টা পথ প্ৰকল্পৰো শিলান্যাস কৰে। ইপিনে, চৰাইদেউ জিলাত মুখ্যমন্ত্ৰীয়ে গৌৰীসাগৰত নিৰ্মিত মাহমৰা ক্ৰীড়া প্ৰকল্প উদ্বোধন কৰে। ১০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত এই প্ৰকল্পই জিলাখনৰ ক্ৰীড়া খণ্ডৰ উত্তৰণত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০০

কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে আজি চণ্ডিগড়ৰৰ পৰা দেশৰ তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাসমূহ চিনাক্ত কৰিবলৈ **খেল ইণ্ডিয়া ৰাইজিং টেলেণ্ট আইডেণ্টিফিকেছন** চমুকৈ **কীৰ্তি** শীৰ্ষক

কাৰ্যসূচী মুকলি কৰে। অনুষ্ঠানত শ্ৰী ঠাকুৰে কয় যে, বিভিন্ন ক্ৰীড়া ক্ষেত্ৰৰ সৈতে জড়িত দেশৰ চুকে-কোণে নিহিত হৈ থকা যুৱ ক্ৰীড়া প্ৰতিভাসমূহক চিনাক্ত কৰি তেওঁলোকক যথোচিত সা-সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যেৰেই **কীৰ্তি** কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

oooooo

ঃসমাপ্তঃ